হাত পুথি

# অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান

পঞ্চায়তীৰাজ আৰু আত্ম-সহায়ক গোট, গোটৰ সংগঠনৰ মাজত সহযোগিতা বৃদ্ধিৰ প্ৰকল্প

(PRI CBO CONVERGENCE)

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

অসম চৰকাৰ

# সমল হাত পুথি-অসম

## এই হাত পুথিখন কিয় লাগে?
## (পটভূমি)

কেৰালা ৰাজ্যৰ পৰা দৰিদ্ৰতা নিৰাময় কৰণৰ ৰাজ্যিক অভিযানৰ নাম হ'ল- **'কুদুমবশ্ৰী'**। দৰিদ্ৰতা নিৰ্মুলৰ হকে 'কুদুমবশ্ৰী' নামৰ এই স্থানীয় স্বায়ত্ব শাসিত অনুষ্ঠানটোৰ সূচনা হৈছিল ১৯৯৮ চনত। স্থানীয় স্বায়ত্ব শাসনৰ প্ৰতিনিধিৰ নেতৃত্বত ঐক্যবদ্ধভাবে সামুহিক ক্ৰিয়াকলাপৰ দ্বাৰা দৰিদ্ৰতা নিৰ্মুলকৰণৰ বাবে আৰম্ভ কৰা এই অনুষ্ঠানটো এতিয়া দেশৰ ভিতৰতে মহিলা সবলীকৰণৰ বৃহৎ অনুষ্ঠান এক হিচাপে পৰিগণিত হৈছে।

ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন মন্ত্ৰণালয়ৰ দ্বাৰা **'কুদুমবশ্ৰী'**ক 'ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান'ৰ অধীনত **'ৰাষ্ট্ৰীয় সমল সংগঠন'** হিচাপে স্বীকৃতি প্ৰদান কৰা হৈছে। এই সংগঠনে ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ স'তে পাৰস্পৰিক বুজাবুজিৰে ৰাজ্যিক গ্ৰামীণ অভিযানক ৰূপায়ণ আৰু কাৰিকৰী দিশত সহযোগিতা আগবঢ়াব।

পঞ্চায়তীৰাজ অনুষ্ঠান-সামুহিক সংগঠনৰ সমলয় বা ঐক্যতানত 'কুদুমবশ্ৰী'য়ে ৰাষ্ট্ৰীয় সমল সংগঠন হিচাপে সহযোগী ৰাজ্যৰ প্ৰতি সহায়ৰ হাত আগবঢ়াব। এই সহযোগিতাই সম্প্ৰদায়সমূহে আগতে অৱলম্বন কৰি থকা জ্ঞান-বুদ্ধিক উন্নতভাবে সদ্ব্যৱহাৰ কৰি সেইসকলৰ নেটৱৰ্ক বা উমৈহতীয়া পদ্ধতি অধিক শক্তিশালী কৰি তোলে।

### এই হাত পুথিখন কাক লাগে?

এই হাতপুথিখন স্থানীয় সমল দল- উন্নয়ন খণ্ডৰ সমল দল, পঞ্চায়তৰ প্ৰতিনিধি, চৰকাৰী কৰ্মচাৰী, উন্নয়নৰ স'তে জড়িত লোক আৰু আভ্যন্তৰীণ প্ৰদৰ্শক বা পৃষ্ঠপোষকসকলৰ বাবে বৰ জৰুৰী। এই পঞ্চায়তীৰাজ অনুষ্ঠান-সমুহীয়াভিত্তিক সংগঠনৰ সমন্বিত প্ৰকল্পৰ জৰিয়তে উল্লেখনীয়ভাবে অসমৰ পথ-প্ৰদৰ্শক উন্নয়ন খণ্ডবোৰৰ বহুসংখ্যক *স্থানীয় সমল ব্যক্তি* আৰু পঞ্চায়ত প্ৰতিনিধিক প্ৰশিক্ষিত কৰি তোলা হ'ব।

### এই হাত পুথিখনত কি আছে?

এই হাতপুথিখনৰ ভিতৰত ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰে পৃষ্ঠপোষকতা আগবঢ়োৱা বহুবোৰ উন্নয়নমূলক আঁচনি সামৰি লোৱা হৈছে। এই আঁচনিবোৰৰ জৰিয়তে প্ৰতিগৰাকী ব্যক্তি অনায়াসে কেনেকৈ উপকৃত হ'ব পাৰে তাকে পৰ্য্যায়ক্ৰমে হাতপুথিখনত দেখুওৱা হৈছে। এই আঁচনিবোৰে সম্প্ৰদায়সমূহৰ নিয়োগ, স্বাস্থ্য, কৌশল বিকাশ, বিত্তীয় সুবিধা আৰু সঞ্চয় আদি সমস্যাবোৰৰ সমিধান আৰু সহায়ক পথ প্ৰদৰ্শন কৰিব।

### অসমত পঞ্চায়তীৰাজ ঃ

১৯৯৪ চনত পঞ্চায়তীৰাজ আইনৰ সূচনা কৰা হৈছিল।
ৰাইজৰ বাবে, ৰাইজৰ দ্বাৰা, ৰাইজৰ হ'কে মানেই হ'ল গণতান্ত্ৰিক পদ্ধতি।
এই পদ্ধতিত পঞ্চাশ শতাংশ আসন মহিলাৰ বাবে আৰু এক তৃতীয়াংশ অনুসুচিত জাতি-জনজাতিৰ বাবে সংৰক্ষিত।

অসমৰ গাঁও পঞ্চায়তত **তিনিখন স্থায়ী সমিতি** আছেঃ
পঞ্চায়তৰ নিৰ্বাচিত সদস্যসকলক তিনিখন স্থায়ী সমিতিত বিভক্ত কৰা হয়।

**উন্নয়ন সমিতি** তলত উল্লেখ কৰা কামসমূহ সম্পাদন কৰাৰ বাবে গঠন কৰা হয়ঃ
- কৃষি উৎপাদন, পশুপালন, গ্ৰামীণ উদ্যোগ আৰু দৰিদ্ৰতা নিৰ্মূলকৰণ আঁচনিৰ কামসমূহ ৰূপায়ণৰ বাবে।

**সামাজিক ন্যায় সমিতি**খন তলত উল্লেখ কৰা কামসমূহ সম্পাদন কৰাৰ বাবে গঠন কৰা হয়ঃ
- শিক্ষা ব্যৱস্থাক উদ্‌গণি দিয়া, অৰ্থনৈতিক-সামাজিক-সাংস্কৃতিক আৰু অনুসুচিত জাতি-জন জাতি, পিছপৰা শ্ৰেণীৰ লোকসকলৰ অন্যান্য ইচ্ছাসমূহ পুৰণৰ হকে।
- সমাজৰ সেই শ্ৰেণী বা সেই বৰ্ণৰ লোকসকলে যাতে সামাজিক সুৰক্ষা পাব পাৰে নতুবা আন আন বঞ্চনাৰ পৰা সুৰক্ষিত হৈ থাকিব পাৰে।
- মহিলা আৰু শিশুৰ কল্যাণৰ বাবে।

**সমাজ কল্যাণ সমিতি**খন তলত উল্লেখ কৰা কামসমূহ সম্পাদন কৰাৰ বাবে গঠন কৰা হয়ঃ
- শিক্ষা, জন-স্বাস্থ্য, গড়কাপ্তানী আৰু অন্যান্য কাৰ্য্যসমূহ গাঁও পঞ্চায়ত পৰ্যায়ত সম্পাদন কৰাৰ বাবে।

## গাঁও সভা মানে কি ?

গাঁও সভা হ'ল গুৰুত্বপূৰ্ণ এক সাংবিধানিক মঞ্চ য'ত সমাজৰ প্ৰতিজন ব্যক্তিয়ে নিৰ্বাচিত প্ৰতিনিধিসকলক লগ ধৰি সেইসকলৰ ওচৰত তেখেতসকলৰ প্ৰাপ্য বিচাৰিব বা দাবী কৰিব পাৰে। জনসাধাৰণে আমাৰ সমাজত থকা সমস্যাসমূহৰ বিষয়ে আলোচনা কৰি তাৰ সমাধান বা উন্নয়নৰ হকে সমাজক সাৰথি কৰি পৰিকল্পনা যুগুতাব পাৰে। এনেদৰেই আমি সক্ৰিয়ভাবে আমাৰ স্বায়ত্ব শাসনৰ সতে অংশীদাৰ হোৱাৰ সুযোগ পাওঁ। কিন্তু এগৰাকী মানুহে নিজে গৈ নিজৰ প্ৰাপ্য অধিকাৰ বিচাৰিলে নিশ্চয় সেয়া নাপাব। তাৰ পৰিবৰ্ত্তে একগোট হৈ আত্ম-সহায়ক গোট হিচাপে নিজৰ প্ৰাপ্য দাবী কৰিলে তাত বহুত তফাত থাকিবই। সেয়ে আমি সকলোৱে একত্ৰিত ভাবে পৰিকল্পনা যুগুতাব লাগিব আৰু আমাৰ অধিকাৰো একত্ৰিত ভাবেই হাচিল কৰিব লাগিব। গাঁও পঞ্চায়তে যুগুতোৱা বাৰ্ষিক পৰিকল্পনাত গাঁও সভাই অনুমোদন দিয়ে। বিভিন্ন কল্যাণমূলক আঁচনিৰ বাবে হিতাধিকাৰী নিৰ্বাচন প্ৰক্ৰিয়া গাঁওসভাৰ জৰিয়তেহে হয়।

ছয় মাহৰ ভিতৰত গাঁও সভা এবাৰকৈ অনুষ্ঠিত হ'ব লাগে। গাঁও সভাৰ সদস্যৰ মাজৰ পৰা দহ শতাংশত কম হ'ব নালাগিব- যদি তেখেতসকলে বিশেষ উদ্দেশ্য লৈ বিশেষ সভা অনুষ্ঠিত কৰাৰ দাবী জনাই তেতিয়াহ'লে অতিকমেও তিনিমাহ সময়ৰ ভিতৰত গাঁও সভাৰ দুখন বিশেষ সভা অনুষ্ঠিত হ'ব পাৰে। সভাৰখন থুল হ'বলৈ হ'লে মুঠ সদস্যৰ ভিতৰত উপস্থিতিৰ সংখ্যা দহ ভাগৰ একতকৈ কম হ'ব নোৱাৰিব নতুবা এশ সদস্যৰ কম হ'ব নোৱাৰিব; যিটো ন্যুনতম বুলি বিবেচনা কৰা হ'ব।

**গাঁও সভাৰ উপ-সমিতি ঃ**
- দহ জনতকৈ কম সদস্যৰে গঠিত হ'ব নোৱাৰিব।
- মহিলাৰ সংখ্যা আধাতকৈ কম হ'ব নোৱাৰিব।
- সমস্যাবোৰৰ গভীৰলৈকে আলোচনা আৰু গাঁও সভাৰ সিদ্ধান্তসমূহৰ সঠিক ৰূপায়ণ- ক্ষমতাৰ সদ্‌ব্যৱহাৰ আৰু কাৰ্য্য সম্পাদনেই হ'ল সমিতিৰ কাম।

**ৱাৰ্ড সভা মানে কি ?**

ৱাৰ্ড সভা ছমাহত এবাৰ মিলিত হ'ব। অনুষ্ঠিত হোৱা ৱাৰ্ড সভাত মহিলাৰ উপস্থিতিৰ সংখ্যা মুঠ ভোটাৰৰ ত্ৰিশ শতাংশতকৈ কম নালাগিব। ৱাৰ্ডটোৰ জনসংখ্যা অনুসৰি ৱাৰ্ড সভাত পৰাপক্ষত অনুপাত অনুসৰি অনুসূচিত জাতি-জনজাতিৰ লোক সকলক প্ৰতিনিধিত্ব কৰাব লাগে। সেই ৱাৰ্ডৰ সভাতেই ৱাৰ্ডটোৰ জৰুৰী বা আৱশ্যকতাসমূহ চিনাক্তকৰণ হ'ব লাগে। ৱাৰ্ড সভাত সেই ৱাৰ্ডৰ সদস্যজন নিশ্চিতভাৱে উপস্থিত থাকিব লাগে।

**আঁচনিৰ নাম ঃ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইন**
**আঁচনিৰ প্ৰকাৰ ঃ** কেন্দ্ৰীয় পৃষ্ঠপোষক আঁচনি।

**উদ্দেশ্য ঃ**

**মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইনে** গ্ৰামীণ অঞ্চলৰ প্ৰতিটো ঘৰৰ প্ৰাপ্তবয়স্কসকলৰ যিসকলে অনিপুন-শ্ৰমিক হিচাপে শাৰীৰিক শ্ৰম কৰিব বিচাৰে সেইসকলক প্ৰতিটো বিত্তীয় বৰ্ষত অতিকমেও এশ কৰ্ম দিনৰ নিয়োগ নিশ্চিতি প্ৰদান কৰি সেইসকলৰ জীৱিকা নিৰ্বাহক সুৰক্ষা প্ৰদান কৰে। এই আঁচনিৰ আৰু এটা লক্ষ্য হ'ল বিভিন্ন ধৰণে কাম সম্পাদন কৰিব পৰা সম্প্ৰদায়ৰ বয়সীয়াল লোকসকলক কাম কৰাৰ সুযোগ প্ৰদান কৰা।

**কোনজন উপযুক্ত ধাৰক বা হিতাধিকাৰী হ'ব পাৰে ?**

গ্ৰাম্য অঞ্চলৰ কোনো এটা পৰিয়ালৰ উঠৰ বছৰৰ ওপৰৰ হাতে-কামে অ-নিপুণ শ্ৰমিকৰ মজুৰিত কাম কৰাৰ বাবে ইচ্ছুক সকলোসদস্যই একোজন উপযুক্ত হিতাধিকাৰী হ'ব পাৰে।

**এই আইনৰ সুবিধাবোৰ কি কি ?**

- হিতাধিকাৰী এজনে এটা বিত্তীয় বৰ্ষত নিশ্চিতভাৱে এশ কৰ্মদিন মজুৰি কৰাৰ সুবিধা পায়।
- মজদুৰসকলে কাম কৰাৰ স্থানত শিশু ৰখাৰ সুবিধা, চিকিৎসা সাহাৰ্য, খোৱা পানী আদিৰ সুবিধা উপলব্ধ।

**এই আঁচনিত অন্তৰ্ভূক্ত হোৱাৰ প্ৰক্ৰিয়া ঃ**

১. হিতাধিকাৰী এজনে নিজৰ জব কাৰ্ডখনৰ বাবে কেনেকৈ আবেদন জনাব?

- হিতাধিকাৰীজনে আৱশ্যকীয় সকলো নথি-পত্ৰৰ সতে নিজৰ পঞ্জীয়ন প্ৰপত্ৰখন ৱাৰ্ড সদস্য বা গ্ৰাম ৰোজগাৰ সেৱক নতুবা পঞ্চায়ত সচিবৰ হাতত জমা দিব।
- সকলো নথিপত্ৰ পৰীক্ষা কৰাৰ পাছত গ্ৰাম ৰোজগাৰ সেৱকজনে উন্নয়ণ খণ্ড পৰ্যায়ত পঞ্জীয়ন প্ৰপত্ৰখন কম্পিউটাৰ ব্যৱস্থাপনা পদ্ধতিত অন্তৰ্ভুক্ত কৰিবলৈ অনলাইন যোগে প্ৰেৰণ কৰিব।
- হিতাধিকাৰীজনে জব কাৰ্ড পঞ্জীয়নৰ বাবে আবেদন জমা দিয়াৰ প্ৰাপ্তি ৰচিদখন সংগ্ৰহ কৰি থ'ব।
- সম্পাদক নতুবা গ্ৰাম ৰোজগাৰ সেৱকজনে গাঁও পঞ্চায়ত পৰ্য্যায়ত পঞ্জীয়ন কৰিব লগা পঞ্জীয়ন সম্পৰ্কীয় তথ্য বহীত লিপিৱদ্ধ কৰি থ'ব।
- পঞ্জীয়নৰ বাবে হিতাধিকাৰীজনে আবেদন জনোৱাৰ পিছত জমা দিয়া তথ্যপাতিৰ আধাৰত যোগ্য বিবেচিত হ'লে পোন্ধৰ দিনৰ পিছত জব কাৰ্ড লাভ কৰিব।

**২. আৱশ্যকীয় তথ্যপাতি ঃ**

- বয়সৰ প্ৰমাণ থকা নথি
- দৰিদ্ৰ সীমা ৰেখাৰ তলৰ ৰেচন কাৰ্ড (সেউজীয়া ৰঙৰ)
- বেঙ্কৰ খাটা বহীৰ নম্বৰ, আই এফ এছ ছি কোড সহ বহীখনৰ ফটোকপি
- পৰিয়ালৰ প্ৰতিজন সদস্যৰ পোষ্ট কাৰ্ড আকাৰৰ ফটো (ফটোৰ ব্যৱস্থা গাঁও পঞ্চায়তে কৰি দিব)

**৩. পৰিয়ালৰ নতুন সদস্য এজনৰ নাম কেনেকৈ অন্তৰ্ভুক্ত কৰিব পাৰি ?**

- সংশ্লিষ্ট হিতাধিকাৰীজনে আৱেদন পত্ৰৰ জৰিয়তে অন্তৰ্ভুক্ত কৰণৰ বাবে আৱেদন জনাব পাৰে নতুবা প্ৰপত্ৰ নম্বৰ ১ পূৰণ কৰিব পাৰে। লগত আৱশ্যকীয় সমৰ্থিত নথি গাঠি দিব লাগিব।
- আৱেদন বা প্ৰপত্ৰ গ্ৰাম ৰোজগাৰ সেৱকৰ হাতত নিজৰ জব কাৰ্ডসহ জমা দিব লাগিব।
- গ্ৰাম ৰোজগাৰ সেৱকে জব কাৰ্ড নম্বৰ, নাম ইত্যাদি গাঁও পঞ্চায়তত খতিয়ান লিখা সেই বহীত লিপিৱদ্ধ কৰি থ'ব।
- সবিশেষ উন্নয়ন খণ্ড পৰ্যায়ত থকা অনলাইন ব্যৱস্থাপনা পদ্ধতিত সুমুওৱা হ'ব।

**৪. পৰিয়ালৰ নতুন সদস্য এজনৰ নাম জব কাৰ্ডত সুমুৱাবলৈ কি কি নথিৰ আৱশ্যক হয় ?**

- বয়সৰ প্ৰমাণ পত্ৰ
- ৰেচন কাৰ্ড
- বেঙ্কৰ খাটা বহীৰ নম্বৰ, আই এফ এছ ছি কোড থকা বেঙ্কৰ বহীখনৰ ফটোকপি
- পৰিয়ালৰ প্ৰতিজন সদস্যৰ পোষ্ট কাৰ্ড আকাৰৰ ফটো (ফটোৰ ব্যৱস্থা গাঁও পঞ্চায়তে কৰি দিব)

**৫. নিবনুৱা ভাত্তাৰ বাবে কোনে আৱেদন জনাব পাৰে ?**

কাম বিচৰা এজন ব্যক্তিয়ে যদি পোন্ধৰ দিনলৈকে কাম নাপায় তেতিয়া সেইজন ব্যক্তিয়ে পোন্ধৰ দিনৰ পিছত নিবনুৱা ভাট্টা বিচাৰি আৱেদন জনাব পাৰে। তেখেতৰ ওচৰত কাম বিচৰা নথিৰ ৰচিদ থাকিব লাগিব।

**৬. মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইনৰ** অধীনত **ব্যক্তিগত হিতাধিকাৰী আঁচনি (বৰ্গ- খ)**

**উদ্দেশ্য ঃ**

- ব্যক্তিগতভাবে নিজৰ মাটিত জলসিঞ্চন, ৰান্ধনিশালৰ বাগান, উদ্যান শস্য, মাছ পোহা, বাঁহ-ৰবৰ-নাৰিকল ৰোপন, মুৰ্গী-ছাগলী-গৰুৰ পাম খুলিবলৈ ইচ্ছুক সকলক সহায় কৰা।
- মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইনৰ অধীনত অনুসূচীত জাতি-জনজাতিৰ পৰিয়াল, সামান্য খেতি কৰা বা ক্ষুদ্ৰ খেতিয়কসকলক নিয়োগৰ সুবিধা প্ৰদান কৰা।

**হিতাধিকাৰী কোন ?**

গাঁৱত বাস কৰা অনুসূচীত জাতি-জনজাতিৰ পৰিয়ালবোৰেই হ'ল প্ৰকৃত হিতাধিকাৰী। এবাৰ এই লক্ষ্যত উপনীত হ'ব পাৰিলে পৰৱৰ্ত্তী সময়ত ক্ষুদ্ৰ খেতিয়কসকলক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

**এই সুবিধা লাভ কৰাৰ প্ৰক্ৰিয়াবোৰ কি কি ?**

- ব্যক্তিগত মাটিত স্থাপন হ'ব লগা প্ৰকল্প গাঁও সভাই অনুমোদন দিব।
- এই প্ৰকল্পত অনুমোদন লাভ কৰাৰ লগে লগে হিতাধিকাৰীজনে আৱেদন প্ৰ-পত্ৰ পূৰণ কৰি- ব্যক্তিগত হিতাধিকাৰী আঁচনিৰ অধীনত কাম পোৱাৰ বাবে দাবী পেছ কৰিব।
- ৰোজগাৰ সেৱক বা পঞ্চায়ত সচিবে তথ্যসমূহ বহীত লিপিবদ্ধ কৰি ৰাখিব।
- নথি-পত্ৰসমূহ পোৱাৰ পাছত ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ কাৰ্য্যালয়ে মাটিৰ সবিশেষ তথ্য পৰীক্ষা কৰিব, পঞ্চায়ত সচিবে মাটিখিনিৰ ফটো লৈ সেয়া খণ্ড উন্নয়ন পৰ্য্যায়ত অনলাইন চফটৱেৰত ভৰোৱাৰ বাবে প্ৰেৰণ কৰিব।
- উন্নয়ন খণ্ড পৰ্য্যায়ৰ কনিষ্ঠ অভিযন্তাই প্ৰকল্পৰ মাটিডোখৰ পৰিদৰ্শন কৰি তাৰ এটি প্ৰাক্কলন অনুমোদনৰ বাবে অনলাইনত জিলা পৰিষদলৈ আপলোড কৰিব।
- জিলা পৰিষদে প্ৰকল্পটোত অনুমোদন দিব আৰু পঞ্চায়তে প্ৰকল্পটো আৰম্ভ কৰাৰ বাবে হিতাধিকাৰীজনক কেঁচা সামগ্ৰী যোগান ধৰিব।
- প্ৰকল্পটো সাজু হোৱাৰ পিছত পঞ্চায়ত সচিবে প্ৰকল্পটো পৰিদৰ্শন কৰি প্ৰকল্পটোৰ বিপৰীতে মজুৰি মুকলি কৰাৰ বাবে তাৰ ফটো ল'ব।

**আৱশ্যকীয় তথ্যপাতিঃ**

- আৱেদন প্ৰ-পত্ৰ
- অনুসুচিত জাতি-জনজাতিৰ হ'লে জাতিৰ প্ৰমাণ পত্ৰ
- প্ৰমাণ পত্ৰ নতুবা মাটিৰ তথ্যৰ প্ৰতিলিপি

**সতীৰ্থ বা সঙ্গীঃ**

সতীৰ্থ বা সঙ্গী হ'ল দায়িত্ব প্ৰাপ্ত এক ব্যক্তি যিজনে সেই প্ৰকল্পটো তদাৰক কৰাৰ লগতে তাত উপস্থিতিৰ তথ্যও লিপিবদ্ধ কৰি ৰাখিব। সতীৰ্থ হ'বলৈ হ'লে যোগ্যতা অষ্টম শ্ৰেণী পাছ কৰা হ'লেই হ'ল।

**সুবিধাবোৰ পাবলৈ হ'লে প্ৰথমে কাক লগ ধৰিব লাগে ?**

গাঁও পৰ্য্যায়ত সতীৰ্থ; গাঁও পঞ্চায়ত পৰ্য্যায়ত ৰোজগাৰ সেৱক, পঞ্চায়তৰ সচিব, সভাপতি। গাঁও পৰ্য্যায়ত আঁচনি ৰূপায়ণৰ বাবে একমাত্ৰ দায়বদ্ধ নিকায় হ'ল- গাঁও পঞ্চায়ত।

**মনত ৰাখিবঃ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইনৰ** অধীনত অসমৰ শ্ৰমিকে লাভ কৰা **মজুৰিৰ নিৰিখ** হ'ল- প্ৰতিদিনে ১৮৯.৫০ টকা।

আঁচনিৰ নাম ঃ **ৰাষ্ট্ৰীয় সামাজিক সহায়তা আঁচনি**
আঁচনিৰ প্ৰকাৰ ঃ **কেন্দ্ৰীয় পৃষ্ঠপোষক আঁচনি**

**উদ্দেশ্যে ঃ**

সমাজৰ সেই বিশেষ লোকসকল যেনেঃ বৃদ্ধ, বিধবা, বিশেষভাৱে সক্ষমসকলক দৈনিক ভিত্তিত ভৰণ-

পোষণ-পুষ্টিত সহায় কৰা।

**সুবিধা পাবলৈ অৱলম্বন কৰিব লগা প্ৰক্ৰিয়া ঃ**

- এই আঁচনিৰ অধীনত সুবিধা পাবলৈ হ'লে গাঁও পঞ্চায়তৰ সচিব, সভাপতি, গাঁওবুঢ়াক লগ ধৰিব লাগে।
- নথি-পত্ৰৰ স্থানত উল্লেখ কৰা নথিসমূহ সংলগ্ন কৰি দিব লাগে।
- আৱেদন-প্ৰপত্ৰখন পূৰণ কৰিব লাগে।
- অৱশেষত, পূৰণ কৰা আৱেদন প্ৰ-পত্ৰখন গাঁও পঞ্চায়তৰ সভাপতি বা সম্পাদকত হাতত জমা দিব লাগে।
- উন্নয়ন খণ্ডৰ তৰফৰ পৰা আৱেদন প্ৰ-পত্ৰখন জিলা পৰিষদলৈ প্ৰেৰণ কৰে আৰু জিলা পৰিষদত পুঁজি উপলব্ধ হ'লেই জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই তাত অনুমোদন প্ৰদান কৰে।

**মনত ৰাখিব** ঃ হিতাধিকাৰীজনৰ বেঙ্কত নিজা খাটা-বহী থাকিব লাগিব। পৰিয়ালৰ আন সদস্যৰ স'তে থকা যুটীয়া খাটা-বহী বৈধ বা অনুমোদিত নহব।

**ইন্দিৰা গান্ধী বৃদ্ধ পেঞ্চন আঁচনি ঃ**

আঁচনিৰ দ্বাৰা উপকৃত হ'ব পৰা উপযুক্ত ব্যক্তি বা হিতাধিকাৰীজন কোন হ'ব পাৰে?

- আৱেদকজনৰ (পুৰুষ বা মহিলা) বয়স যাঠি বছৰ বা ততোধিক হ'ব লাগিব। পুৰুষ বা মহিলা গৰাকী দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোক হ'ব লাগিব।
- এই আঁচনিৰ হিতাধিকাৰীজনক গাঁও সভাই চিনাক্ত কৰিব আৰু গাঁও সভাই বাচনি কৰি দিয়া অনুমোদনৰ ভিত্তিত প্ৰতিবছৰে সেই তালিকা প্ৰস্তুত কৰিব লাগিব।
- এই আঁচনিৰ অধীনত সুবিধা পাবলৈ হ'লে গাঁও পঞ্চায়তৰ সচিব, সভাপতি নতুবা গাঁওবুঢ়াক লগ ধৰিব লাগিব।
- নথি-পত্ৰৰ স্থানত উল্লেখ কৰা নথিসমূহ সংলগ্ন কৰি দিব লাগিব।
- আৱেদন-প্ৰপত্ৰখন পূৰণ কৰি দিব লাগিব।
- পূৰণ কৰা আৱেদন প্ৰ-পত্ৰখন গাঁও পঞ্চায়তৰ সভাপতি বা সম্পাদকৰ হাতত জমা দিব লাগিব।
- গাঁও পঞ্চায়তত যদি ইন্টাৰনেট ব্যৱস্থা উপলব্ধ নহয় তেতিয়াহ'লে উন্নয়ন খণ্ডত জমা দিব লাগিব। তাতেই সেই আৱেদন পত্ৰখন কম্পিউটাৰ ব্যৱস্থাপনা পদ্ধতিত ভৰাই ল'ব।
- উন্নয়ন খণ্ডৰ তৰফৰ পৰা আৱেদন প্ৰ-পত্ৰখন জিলা পৰিষদলৈ প্ৰেৰণ কৰিব। জিলা পৰিষদত পুঁজি উপলব্ধ হ'লেই জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই তাত অনুমোদন প্ৰদান কৰিব।

**আৱশ্যকীয় নথিসমূহ ঃ**

- বয়সৰ প্ৰমাণ পত্ৰ (ভোটাৰ কাৰ্ড)
- বাসস্থানৰ প্ৰমাণ পত্ৰৰ ফটোকপি আৰু চক্ৰ বিষয়াই প্ৰদান কৰা ব্যক্তিগত উপাৰ্জনৰ প্ৰমাণ পত্ৰ।
- বি পি এল কাৰ্ডৰ ফটোকপি।
- তথ্যসমূহ পূৰাই পঞ্চায়ত সচিব আৰু গাঁও বুঢ়াই অনুমোদন দিয়া দুখন আৱেদন পত্ৰ।
- হিতাধিকাৰীজনৰ দুখন পাছপোৰ্ট জোখৰ ফটো।
- হিতাধিকাৰীজনৰ বেঙ্কৰ বহীৰ ফটোকপি।

**পেঞ্চনৰ পৰিমাণ ঃ**

- কেন্দ্ৰীয় পৃষ্ঠপোষকতাত এই আঁচনিৰ অধীনত প্ৰতিমাহে প্ৰতিজন হিতাধিকাৰীক প্ৰদান কৰা পেঞ্চনৰ পৰিমাণ হ'ল ২৫০ টকা। তাৰবাবে উপযুক্ত বুলি বিবেচিত হ'বলৈ বয়স ৬০-৭৯ বছৰৰ ভিতৰত হ'ব লাগিব।
- ৮০ বছৰ বয়সৰ উৰ্দ্ধৰ প্ৰতিজন হিতাধিকাৰীয়ে কেন্দ্ৰীয় পৃষ্ঠপোষক এই আঁচনিৰ অধীনত প্ৰতিমাহে লাভ কৰা পেঞ্চনৰ পৰিমাণ হ'ল ৫০০ টকা।

**আঁচনিৰ নামঃ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধবা পেঞ্চন আঁচনি।**

**ইয়াৰ বাবে কোন উপযুক্ত?**

- হিতাধিকাৰী গৰাকী বিধৱা হ'ব লাগিব।
- ইয়াৰ সুবিধা পাবলৈ হ'লে তেখেতৰ বয়স চল্লিশ বছৰ হ'ব লাগিব।
- আৱেদক গৰাকী দৰিদ্ৰ সীমা ৰেখাৰ তলৰ হ'বই লাগিব।

**পেঞ্চনৰ পৰিমাণ ঃ**

- এই আঁচনিৰ অধীনত পেঞ্চন হিচাপে প্ৰতিমাহে প্ৰতিজন হিতাধিকাৰীক ৩০০ টকাকৈ প্ৰদান কৰা হয়।

**ইয়াৰ বাবে বিবেচিত হ'বলৈ জমা দিব লগা আৱশ্যকীয় নথি-পত্ৰ ঃ**

- বয়সৰ প্ৰমাণ পত্ৰ (ভোটাৰ কাৰ্ড)
- বাসস্থানৰ প্ৰমাণ পত্ৰৰ ফটোকপি আৰু চক্ৰ বিষয়াই প্ৰদান কৰা ব্যক্তিগত উপাৰ্জনৰ প্ৰমাণ পত্ৰ।
- বি পি এল কাৰ্ডৰ ফটোকপি।
- ১৮-৪০ বছৰ বয়সৰ বিধবাক চক্ৰ বিষয়াই প্ৰদান কৰা ব্যক্তিগত উপাৰ্জনৰ প্ৰমাণ পত্ৰ।
- তথ্যসমূহ পুৰাই পঞ্চায়ত সচিব আৰু গাঁও বুঢ়াই বিধবাগৰাকীকক অনুমোদন দিয়া দুখন আৱেদন পত্ৰৰ লগতে বিধবাগৰাকীৰ দুখন ফটো।
- বিধবা গৰাকীৰ মৃত স্বামীৰ মৃত্যুৰ প্ৰমাণ পত্ৰৰ ফটোকপি।
- হিতাধিকাৰীজনৰ বেঙ্কৰ বহীৰ ফটোকপি।

**ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় অক্ষমতা পেঞ্চন ঃ**

- এই আঁচনিৰ অধীনত পেঞ্চন হিচাপে প্ৰতিমাহে প্ৰতিজন হিতাধিকাৰীক ৩০০ টকাকৈ প্ৰদান কৰা হয়।

**ইয়াৰ বাবে কাক উপযুক্তবুলি বিবেচনা কৰা হ'ব?**

- ইয়াৰ বাবে উপযুক্ত বুলি বিবেচিত হ'বলৈ বয়স উঠৰ বছৰৰ ওপৰ হ'ব লাগিব।
- অক্ষমতাৰ মাপক শতকৰা ৪৫ শতাংশ হ'ব লাগিব।
- বাওনাসকলো ইয়াৰ বাবে উপযুক্ত বুলি বিবেচিত।

**পেঞ্চনৰ পৰিমাণ ঃ**

- এই আঁচনিৰ অধীনত পেঞ্চন হিচাপে প্ৰতিমাহে প্ৰতিজন অক্ষমলোকক ৩০০ টকাকৈ প্ৰদান কৰা হয়।

**লগত গাঁথি দিব লগা আৱশ্যকীয় নথি-পত্ৰ ঃ**

- জিলা অসামৰিক চিকিৎসালয়ৰ পৰা অক্ষমতাৰ সবিশেষ থকা প্ৰমাণ পত্ৰ।
- জিলা সমাজ কল্যাণ বিষয়াই প্ৰদান কৰা পৰিচয় পত্ৰ, প্ৰাধিকাৰিক বিষয়াৰ দ্বাৰা দৰিদ্ৰ সীমা ৰেখাৰ তলত থকাৰ সূচাঙ্ক উল্লেখ থকা প্ৰমাণ পত্ৰ।
- বয়সৰ প্ৰমাণ পত্ৰ।
- স্থায়ী বাসস্থানৰ প্ৰমাণ পত্ৰ।

**ৰাষ্ট্ৰীয় পৰিয়াল উপকৃতকৰণ আঁচনি ঃ**

**উদ্দেশ্য ঃ**

পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰীজনৰ অকাল মৃত্যুত পৰিয়ালটোক এককালীন সাহাৰ্য্য প্ৰদানেৰে সকাহ দিয়া।

**এই সাহাৰ্য্য লাভৰ বাবে কোন উপযুক্ত বা প্ৰকৃত হিতাধিকাৰী হ'ব পাৰে?**

- এইটো নিশ্চিত কৰা হয় যে— পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰীজনৰ মৃত্যু হ'লেই এই সাহাৰ্য্য লাভৰ বাবে পৰিয়ালটো উপযুক্ত বুলি বিবেচিত হ'ব; সেই মৃত্যু লাগে স্বাভাৱিক ভাবেই হওক বা আনভাবেই হওক।
- এই আঁচনিৰ মুল উদ্দেশ্যত ব্যৱহৃত 'গৃহস্থী' বুলি ক'লে— পত্নী, নাবালক শিশু, অবিবাহিত কন্যা বা সেই উপাৰ্জনকাৰীজনৰ ওপৰত নিৰ্ভৰশীল পিতৃ-মাতৃও হ'ব পাৰে।
- পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জন নিৰ্ভৰশীল ব্যক্তি বা মহিলা গৰাকীৰ বয়স মৃত্যুৰ সময়ত ১৮ বছৰতকৈ অধিক আৰু ৬০ বছৰৰ তলৰ হ'ব লাগিব।
- ভাৰত চৰকাৰে সাহাৰ্য্য প্ৰদানৰ বাবে হিতাধিকাৰী নিৰ্বাচিত কৰা প্ৰক্ৰিয়া অনুসৰি অনাথ পৰিয়ালটো দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়াল হ'ব লাগিব।

**হিতাধিকাৰী কেনেকৈ নিৰ্বাচন কৰা হয়?**

- হিতাধিকাৰীসকলক গাঁও সভাত সদস্যসকলে নিৰ্বাচিত কৰে।

**প্ৰদান কৰা অনুদানৰ পৰিমাণ ঃ**

- কেন্দ্ৰীয় পৃষ্ঠপোষক এই আঁচনিৰ অধীনত পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জন নিৰ্ভৰশীল ব্যক্তি গৰাকীৰ স্বাভাৱিক বা দুৰ্ঘটনাজনিত কাৰণৰ ফলত হোৱা মৃত্যুত প্ৰদান কৰা এককালীন অনুদানৰ পৰিমাণ হ'ল— ২০০০০ টকা।

**উপযুক্ত বুলি বিবেচিত হ'বলৈ জমা দিব লগা নথিসমূহ ঃ**

- পূৰণ কৰা আবেদন প্ৰ-পত্ৰ
- বি পি এল কাৰ্ডৰ ফটোকপি
- বয়সৰ প্ৰমাণ পত্ৰ হিচাপে ভোটাৰ কাৰ্ড
- পঞ্চায়তৰ সচিব বা গাঁও বুঢ়াই দিয়া অনুমোদনৰ লগত আবেদকৰ ফটো সহ দুখন আবেদন পত্ৰ।
- আবেদন পত্ৰত চক্ৰ বিষয়াই উপাৰ্জনৰ তথ্য উল্লেখ কৰিব।
- বেঙ্কৰ বহীৰ ফটোকপি।

**আঁচনিৰ নাম ঃ সংহত শিশু বিকাশ আঁচনি**
**আঁচনিৰ প্ৰকাৰ ঃ কেন্দ্ৰীয় পৃষ্ঠপোষক।**

**উদ্দেশ্য ঃ**


**সংহত শিশু বিকাশ আঁচনি প্ৰৱৰ্ত্তন কৰাৰ মূল উদ্দেশ্য আছিল ঃ**

- ০ পৰা ৬ বছৰ বয়সৰ শিশুসকলক পুষ্টিকৰ খাদ্যৰ যোগান ধৰি শিশুসকলৰ শাৰীৰিক আৰু মানসিক বিকাশ ঘটোৱা।
- শিশুসকলৰ মানসিক, শাৰীৰিক আৰু সামাজিক উন্নয়ন সঠিকভাবে হ'ব পৰাকৈ মজবুত বুনিয়াদ গঢ়ি তোলা।
- মাতৃসকলেও যাতে শিশুসকলৰ সাধাৰণ স্বাস্থ্যৰ যত্ন লোৱাৰ লগতে পুষ্টিশীলতাৰ দিশটোও সুন্দৰভাবে চোৱাচিতা কৰিব পাৰে তাৰবাবে যাবতীয় শিক্ষা প্ৰদান কৰা।

ইয়াৰ প্ৰকৃত হিতাধিকাৰী কোন হ'ব পাৰে?

- এই আঁচনিৰ অধীনত হিতাধিকাৰীৰ নাম পঞ্জীয়ন কৰাৰ বাবে কোনো আৱেদন পত্ৰৰ আৱশ্যক নহয়।
- এই আঁচনিৰ অধীনত হিতাধিকাৰী হ'বলৈ দৰিদ্ৰ সীমাৰেখাৰ তল বা ওপৰ বুলি কোনো কথা নাই।
- এই আঁচনিয়ে লক্ষ্য হিচাপে লোৱা প্ৰতিজনেই ইয়াৰ হিতাধিকাৰী হ'ব পাৰে।

**সংহত শিশু বিকাশ আঁচনিয়ে প্ৰদান কৰা সুবিধাসমূহ ঃ**



**আঁচনিৰ নাম ঃ স্বচ্ছ ভাৰত অভিযান**
**আঁচনিৰ প্ৰকাৰ ঃ কেন্দ্ৰীয় পৃষ্ঠপোষক।**

**উদ্দেশ্য ঃ**

- পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু সামাজিক স্বাস্থ্য বিধিৰ বিষয়ে উদ্‌গণি প্ৰদান কৰা।

**এই আঁচনিৰ হিতাধিকাৰী কোন ?**

গাঁৱৰ যিকোনো এজন ব্যক্তি বা লোক যাৰ নামত ভোটাৰ কাৰ্ড আছে কিন্তু ঘৰত শৌচালয় নাই তেখেতেই এই আঁচনিৰ প্ৰকৃত হিতাধিকাৰী।

**এই অভিযানৰ লাভা-লাভবোৰ কি ?**

এই অভিযানে শৌচালয় নথকা এজন লোকৰ ঘৰত শৌচালয় নিৰ্মাণৰ বাবে ১২০০০ টকা আগবঢ়াই।

**ঘৰত শৌচালয় নিৰ্মাণ অভিযানৰ সুবিধা লাভ কৰাৰ প্ৰক্ৰিয়াটো ঃ**

- সুবিধা লাভ কৰিব খোজা ব্যক্তিগৰাকীয়ে নিজৰ ৱাৰ্ডৰ সদস্য নতুবা পঞ্চায়তৰ সভাপতি বা উন্নয়ন খণ্ডৰ সমল সমন্বয়কজনক লগ ধৰিব লাগিব।
- ব্যক্তি গৰাকীয়ে পঞ্চায়তৰ সভাপতি নতুবা উন্নয়ন খণ্ডৰ সমল সমন্বয়কজনৰ পৰা আৱেদন প্ৰপত্ৰখন সংগ্ৰহ কৰিব লাগিব।
- আৱশ্যকীয় নথিপত্ৰসহ আৱেদন পত্ৰখন পঞ্চায়তৰ সভাপতিৰ হাতত নতুবা উন্নয়ন খণ্ড পৰ্য্যায়ৰ জনস্বাস্থ্য কাৰিকৰী বিভাগত জমা দিব লাগিব।
- আৱেদন পত্ৰখনৰ সত্যতা সংশ্লিষ্ট গাঁওখনৰ গাঁওবুঢ়াই নিৰূপণ কৰিব লাগিব।
- শৌচালয় নিৰ্মাণ হৈ উঠাৰ পাছত হিতাধিকাৰীজনে গাঁও পঞ্চায়তৰ সভাপতি নতুবা উন্নয়ন খণ্ডৰ সমল সমন্বয়কক বিষয়টো অৱগত কৰিব লাগিব।
- সমল সমন্বয়কে নৱ নিৰ্মিত শৌচালয়ৰ ফটো লব।
- সমল সমন্বয়কৰ পৰা হিতাধিকাৰীয়ে কাম সমাপ্ত হোৱাৰ প্ৰমাণ পত্ৰ সংগ্ৰহ কৰি এখন বিল জমা দিব।
- হিতাধিকাৰীজনক উন্নয়ন খণ্ড পৰ্য্যায়ৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তৰফৰ পৰা এখন চেক প্ৰদান কৰা হ'ব। চেকখনত যুটীয়াভাৱে স্বাক্ষৰ কৰিব - জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা আৰু পঞ্চায়ত সভাপতিয়ে।

এই আঁচনিৰ দ্বাৰা উপকৃত হ'বলৈ কি কি নথি আৱশ্যক হয় ?

- বেঙ্কৰ খাটা বহীৰ ফটোকপি
- এখন পাছপোৰ্ট চাইজৰ ফটো
- ভোটাৰ পৰিচয় পত্ৰ নতুবা ৰেছন কাৰ্ড
- বি পি এল কাৰ্ড

**আঁচনিৰ নাম ঃ**

**প্ৰধান মন্ত্ৰীৰ আৱাস যোজনা (গ্ৰামীণ)**

**আঁচনিৰ প্ৰকাৰ** ঃ কেন্দ্ৰীয় পৃষ্ঠপোষক।

**উদ্দেশ্য** ঃ গ্ৰাম্য ভাৰতৰ দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰা লোকসকলক পকা আৱাস প্ৰদান কৰা।

**এই আঁচনিৰ পৰা পোৱা লাভবোৰ কি কি ?**

- হিতাধিকাৰীজনক ১,৩০,০০০ টকা প্ৰদান কৰা হয়।
- গৃহ নিৰ্মাণৰ বাবে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিশ্চিত নিয়োগ আইনৰ অধীনত হিতাধিকাৰীজনক ৯০-৯৫ কৰ্ম দিনৰ মজুৰি লাভ কৰাৰ সুবিধা দিয়া হ'ব।
- ঘৰটো নিৰ্মাণৰ বাবে মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিশ্চিত নিয়োগ আইনৰ অধীনত হিতাধিকাৰীজনক ১৮,০০০ টকা দিয়া হ'ব।
- ঘৰটোত শৌচালয় নিৰ্মাণৰ বাবে ১২,০০০ টকা প্ৰদান কৰা হব।

| ক্ৰমিক নং | ধনৰ কিস্তি | টকাৰ পৰিমাণ |
|---|---|---|
| ১ | প্ৰথম | ৩২,৫০০ |
| ২ | দ্বিতীয় | ৭৮,০০০ |
| ৩ | তৃতীয় | ১৯,৫০০ |

**এই আঁচনিৰ হিতাধিকাৰী কোন ?**

- হিতাধিকাৰীজন নিশ্চিতভাবে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোক হ'ব লাগিব। ২০১১ চনত কৰা আৰ্থ সামাজিক আৰু জাতিৰ লোক পিয়লত তেখেতৰ নাম থাকিব লাগিব।
- অনুসুচিত জাতি-জনজাতি আৰু সংখ্যালঘু পৰিয়ালক অগ্ৰাধিকাৰ দিয়া হ'ব।
- হিতাধিকাৰীজন গৃহহীন হ'লে আকৌ অগ্ৰাধিকাৰ পাব। এটা-দুটা কোঠা থকা ঘৰৰ হ'লে সেই অনুপাতেহে অগ্ৰাধিকাৰ লাভ কৰিব।
- গাঁও সভাৰ জৰিয়তে গাঁও পঞ্চায়তে অগ্ৰাধিকাৰ তালিকাৰ পৰা বাদ পৰা সকলৰো আন এখন অতিৰিক্ত তালিকা সাজু কৰিব।

**হিতাধিকাৰী নিৰ্বাচন প্ৰক্ৰিয়া ঃ**

- হিতাধিকাৰীজনক ২০১১ চনৰ অৰ্থনৈতিক আৰু জাতিৰ লোক পিয়লৰ গাঁও পঞ্চায়তৰ সচিবৰ ওচৰত থকা পিয়লৰ সেই তালিকাৰ ভিত্তিত নিৰ্বাচন কৰা হয়। গাঁও পঞ্চায়তৰ সচিবজনে গাঁও সভাৰ সভাত নিৰ্বাচিত হিতাধিকাৰীসকলৰ নাম ঘোষণা কৰি দিব।

এই সুবিধা লাভ কৰা প্ৰক্ৰিয়াবোৰ ঃ

- এই আঁচনিৰ সুবিধা লাভ কৰিবলৈ হ'লে কোনো আৱেদন প্ৰ-পত্ৰ পূৰণ কৰিব নালাগে।
- এই আঁচনিৰ অধীনত সুবিধা লাভ কৰিবলৈ হ'লে গাঁও পঞ্চায়তৰ সচিবক লগ ধৰিব লাগে।
- পঞ্চায়ত সচিবজনে যাবতীয় নথিবোৰ সংগ্ৰহ কৰি পঞ্চায়ত পৰ্য্যায়ত অনলাইন পঞ্জীয়ন কৰি উন্নয়ন

খণ্ড পৰ্য্যায়লৈ পঠোৱা হয়।

- পঞ্চায়ত পৰ্য্যায়ত এবাৰ পঞ্জীয়ন হৈ যোৱাৰ পিছত ঘৰ সাজিব লগা মাটিখিনি আৰু বৰ্তমান হিতাধিকাৰীজন বাস কৰি থকা ঘৰটোৰ এটা ফটো লব।

**আৱশ্যকীয় নথিপত্ৰ**

- জব কাৰ্ডৰ ফটোকপি
- ভোটাৰৰ পৰিচয় পত্ৰ
- জাতিৰ প্ৰমাণপত্ৰ
- মাটিৰ নথি
- মোবাইল ফোন নম্বৰ

**হিতাধিকাৰীলৈ টকা মোকোলাই দিয়া**

- অনুমোদন দিয়া দিনটোৰ পৰা ৭ দিনৰ ভিতৰত প্ৰথম কিস্তি মোকলাই দিব লাগিব।
- ঘৰটোৰ বুনিয়াদটো সাজু হোৱাৰ পিছত দ্বিতীয় কিস্তি মোকলাই দিয়া হ'ব।
- ঘৰটোৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত তৃতীয় কিস্তি লাভ কৰিব।

**সবিশেষ জানিবলৈ বিনামূলীয়া এই নম্বৰলৈ ফোন কৰক ঃ ১৮০০-৩৪৫-৩৭১৪**

**স্বাস্থ্য আঁচনি ঃ অটল অমৃত অভিযান**

**আঁচনিৰ প্ৰকাৰ** ঃ ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষক আঁচনি।

**উদ্দেশ্য ঃ**

- অসমৰ ৰাইজক সহজ-সুলভভাবে উন্নত স্বাস্থ্য সেৱাৰ সুবিধাসমুহ প্ৰদান কৰা।
- পাঁচ লাখ টকাৰ ভিতৰৰ নিম্ন আয়ৰ পৰিয়াল তথা দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলক এই আঁচনিৰ ভিতৰত সামৰি লোৱা।

**এই আঁচনিৰ পৰা উপকৃত হ'ব পৰা সুবিধাবোৰ কি কি ?**

- এই আঁচনিৰ জৰিয়তে হাস্পাতালত ৰোগীক চিকিৎসা কৰাওঁতে বা অপাৰেছন আদিৰ বাবদ হাতৰ ধন নভৰাকৈ ২,০০,০০০ টকা পৰ্য্যন্ত চিকিৎসা কৰোৱাৰ সুবিধা পাব।

**এই সুবিধাবোৰ দুই প্ৰকাৰে লাভ কৰিব পাৰে-**

- মানুহে হাতে কামে কৰা প্ৰক্ৰিয়াৰে
- স্মাৰ্ট কাৰ্ডৰ জৰিয়তে

**এই সুবিধাবোৰ মানুহে সমাধা কৰা প্ৰক্ৰিয়াৰে লাভ কৰিবলৈ হ'লে হিতাধিকাৰীজন ক'লৈ যাব ?**

- এই সুবিধা লাভ কৰিবলৈ হ'লে হিতাধিকাৰীজনে স্বাস্থ্য সেৱা সঞ্চালকৰ অধীনৰ যুটীয়া সঞ্চালকৰ কাৰ্য্যালয়ত থকা **জিলা অটল অমৃত অভিযান কেন্দ্ৰৰ** পৰা আৱেদন প্ৰ-পত্ৰখন সংগ্ৰহ কৰিব লাগিব।
- আৱেদন প্ৰপত্ৰখন সংগ্ৰহ কৰাৰ পাছত আৱেদকে চিকিৎসা সম্পৰ্কীয় সকলোবোৰ বিল, কাগজ-পত্ৰ আদিৰ মুল নথি আৱেদন পত্ৰৰ স'তে গাঁথি জমা দিব লাগিব।

- তাৰ পাছত ৰোগী গৰাকীয়ে প্ৰাথমিক চিকিৎসাৰ বাবে ওচৰৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নতুবা সমূহীয়া সেৱা সমূহৰ কাৰ্ড কেন্দ্ৰলৈ যাব লাগে; তাত থকা ডাক্তৰে দেশৰ আন ঠাইত থকা তালিকাভূক্ত হাস্পাতললৈ চিকিৎসাৰ বাবে প্ৰেৰণ কৰিলে তাত চিকিৎসা কৰাবলৈ যাব পাৰে।

- এগৰাকী ৰোগীয়ে অসমৰ সমূহ চৰকাৰী হাস্পাতালত চিকিৎসা কৰাব পাৰে; অসম চৰকাৰৰ তালিকাভূক্ত আন আন হাস্পাতালতো এই সুবিধা লাভ কৰিব পাৰে। এগৰাকী হিতাধিকাৰীয়ে 'নথি শাখা'ত উল্লেখ কৰা আন আন নথিসমূহো লগত সংলগ্ন কৰি দিব লাগিব।

- আবেদন পত্ৰখন আৱশ্যকীয় নথিসমূহ - (যদি থাকে আন ঠাইলৈ প্ৰেৰণ কৰা, চিকিৎসা কৰা, চিকিৎসালয়ৰ পৰা খালাচ দিয়াৰ সবিশেষ নথি) গাঁথি জিলা কেন্দ্ৰত জমা দিব লাগিব।

- অনুমোদনৰ বাবে '**জিলা পৰীক্ষণ সমিতি**'য়ে আবেদন পত্ৰখন নিৰীক্ষণ কৰিব।

- অনুমোদন লাভ কৰা আবেদন পত্ৰখন ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগলৈ প্ৰেৰণ কৰা হ'ব।

- ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে অনুমোদিত ধন হিতাধিকাৰীজনক চেক যোগে প্ৰদান কৰিব।

- জিলা বিষয়া গৰাকীয়ে হিতাধিকাৰীজনক ফোন যোগে চেকখন সংগ্ৰহ কৰাৰ বাবে খবৰটো জনাব।

**স্মাৰ্ট কাৰ্ড যোগে এই সুবিধা ঃ**

- হিতাধিকাৰীসকলক থলীতে তাৎক্ষণিকভাবে স্মাৰ্ট কাৰ্ড যোগান ধৰাৰ বাবে প্ৰতিখন জিলাত একোজনকৈ বিক্ৰিদাৰ নিয়োগ কৰা হয়।

- এই আঁচনিৰ অধীনত অধিক পৰিমাণে হিতাধিকাৰী সামৰি লব পৰাকৈ গাঁও পঞ্চায়ত পৰ্য্যায়ত শিবিৰৰ আয়োজন কৰা হয়।

- ১,২০,০০০ টকাৰ পৰা ৫,০০,০০০ টকাৰ ভিতৰত উপাৰ্জন থকা হিতাধিকাৰীসকলৰ পৰা এশ টকাৰ এটা মাচুল সংগ্ৰহ কৰা হয়।

- এটা পৰিয়ালৰ সৰ্বাধিক পাঁচজন লোকক এই আঁচনিৰ অধীনত সামৰি ল'ব পাৰি।

- এই স্মাৰ্ট কাৰ্ডখন ৰাজ্যৰ চৰকাৰী হাস্পাতালৰ লগতে তলত উল্লেখ কৰা তালিকাভূক্ত হাস্পাতালসমূহতো ব্যৱহাৰ কৰিব পাৰি।

- তালিকাভূক্ত হাস্পাতালসমূহে দুই লাখ টকা পৰ্য্যন্ত নগদবিহীন সেৱা আগবঢ়াব।

**মানুহে নিজাকৈ সুবিধা ল'ব পৰাৰ প্ৰক্ৰিয়াটোৰ বাবে আৱশ্যকীয় নথি ঃ**

- ৰোগীজনৰ ফটো (অনুমোদিত ডাক্তৰে লগত গাঁথি দিব)

- হিতাধিকাৰীজনক চক্ৰ বিষয়াই প্ৰদান কৰা উপাৰ্জনৰ প্ৰমাণ পত্ৰ।

- আবেদক তথা অভিভাৱকৰ ভোটাৰ পৰিচয় পত্ৰৰ প্ৰত্যায়িত কপি।

- বেলেগত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা-খালাচ দিয়াৰ প্ৰমাণ পত্ৰ আৰু হাস্পাতালৰ ৰোগ নিদান পত্ৰৰ প্ৰত্যায়িত কপি।

**কিবা অভিযোগ থাকিলে** জিলাত থকা- অটল অমৃত অভিযানৰ বাবে বিশেষভাবে খোলা **কিষক কেন্দ্ৰ**ৰ সতে যোগাযোগ কৰিব পাৰে। সমূদায় অভিযোগ ৭ *টা কৰ্ম দিনৰ ভিতৰত মীমাংসা হ'ব লাগিব।*

**আঁচনিৰ নাম ঃ প্ৰধানমন্ত্ৰীৰ জন ধন যোজনা**

**আঁচনিৰ প্ৰকাৰ** ঃ কেন্দ্ৰীয় পৃষ্ঠপোষক।

**উদ্দেশ্য** ঃ প্ৰধানমন্ত্ৰীৰ জন ধন যোজনাৰ মুল উদ্দেশ্য হ'ল এজন ব্যক্তিক শূন্য জমাৰ এটা হিচাপ খুলি দি সেই ব্যক্তিজনক বেঙ্ক সেৱাসমূহৰ সৈতে সংযুক্ত কৰি তেখেতক সহায় কৰা।

**এই আঁচনিৰ হিতাধিকাৰী কোন ?**

১৮ বছৰ উদ্ধৰ যিকোনো এজন ব্যক্তিয়েই **প্ৰধানমন্ত্ৰী জন ধন যোজনা**ৰ অধীনত বেঙ্কত হিচাপৰ বহী খুলি একো-একোজন হিতাধিকাৰী হ'ব পাৰে।

এই যোজনাৰ অধীনত পাব পৰা সুবিধাবোৰ কি?

- এই আঁচনিৰ অধীনত বেঙ্কত হিচাপৰ বহী খুলিবলৈ কোনো ন্যুনতম জমা ৰখাৰ আৰশ্যক নাই।
- এই আঁচনিয়ে দুৰ্ঘটনাজনিত কাৰকৰ বাবে ১,০০,০০০ টকাৰ বীমাৰ সুবিধা দিয়ে।
- এই আঁচনিৰ অধীনত ছমাহ সক্ৰিয় হৈ থকা একোখন হিচাপৰ বহীৰ বিপৰীতে হিতাধিকাৰীজনে অতিৰিক্ত আহৰণৰ সুবিধা লাভ কৰে।

**এই আঁচনিৰ অধীনত সুবিধা লাভ কৰা প্ৰক্ৰিয়া ঃ**

- হিতাধিকাৰীজন গাঁৱত থকা '**গ্ৰাহক সেৱা কেন্দ্ৰ**'লৈ যাব লাগে।
- '**গ্ৰাহক সেৱা কেন্দ্ৰ**'ই তেখেতক প্ৰধানমন্ত্ৰীৰ জন ধন যোজনাৰ অধীনত হিচাপৰ বহী খোলাৰ আৱেদন প্ৰ-পত্ৰখন পুৰোৱাত সহায় কৰি দিব।
- আৱেদন প্ৰ-পত্ৰখন পুৰোৱাৰ পিছত জমা দিব লগা নথি শাখাত উল্লেখ কৰা নথিৰ ফটোকপিসহ আৱেদন পত্ৰখন সেই সেৱা কেন্দ্ৰত জমা দিব লাগে।
- জমা দিয়া আৱেদন পত্ৰ আৰু সংলগ্ন নথি আদি ঠিকেই থাকিলে '**গ্ৰাহক সেৱা কেন্দ্ৰ**'ই আৱেদন জমা প্ৰাপ্তিৰ ৰচিদ এখন প্ৰদান কৰিব।
- এবাৰ হিচাপৰ খাটা খুলি ল'ব পাৰিলে গ্ৰাহকজনে সেৱা কেন্দ্ৰৰ পৰা ৭ টা কৰ্ম দিনৰ ভিতৰত নিজৰ পাছবুকখন সংগ্ৰহ কৰিব পাৰে।

**আৱশ্যকীয় নথি ঃ**

- ঠিকনাৰ প্ৰমাণ (ভোটাৰ পৰিচয় পত্ৰ, বিজুলীৰ বিল, বাহন চালনাৰ অনুজ্ঞা পত্ৰ, পেন কাৰ্ড আদি)

অধিক জানিবলৈ তলত উল্লেখ কৰা ৱেব চাইট চাব পাৰে নতুবা তাত থকা ফোন নম্বৰৰ সতে যোগাযোগ কৰিব পাৰে ঃ http://www.pmjdy.gov.in/scheme

**আঁচনিৰ নাম ঃ প্ৰধানমন্ত্ৰীৰ জন সুৰক্ষা বীমা যোজনা**
**আঁচনিৰ প্ৰকাৰ** ঃ কেন্দ্ৰীয় পৃষ্ঠপোষক আঁচনি

**উদ্দেশ্য** ঃ এই আঁচনিৰ উদ্দেশ্য হ'ল অতি নগণ্যপৰিমাণৰ বীমা কিস্তিৰ বিপৰীতে আকস্মিক দুৰ্ঘটনা জড়িতঅঘটনত হিতাধিকাৰীজনক বীমা সুৰক্ষা প্ৰদান কৰা।

**এই আঁচনিৰ হিতাধিকাৰী কোন ?**
বয়স ১৮ বছৰৰ পৰা ৭০ বছৰৰ ভিতৰৰ প্ৰতিজনেই এই আঁচনিত অন্তৰ্ভুক্ত হ'ব পাৰে।

**এই বীমা পলিছীৰ মূল্য কিমান ?**

এই বীমা পলিছীৰ মূল্য প্ৰতিবছৰত মাথো ১২ টকা। প্ৰতি বছৰৰ মে মাহত হিতাধিকাৰীৰ বেঙ্কৰ হিচাপৰ বহীৰ পৰা বেঙ্কে নিজে নিজে এই বীমাৰ কিস্তি কাটি নিব।

**এই আঁচনিৰ অধীনত লাভ কৰা সুবিধাবোৰ কি কি ?**

**এই আঁচনিৰ অধীনত লাভ কৰা সুবিধাবোৰৰ সবিশেষ তলত উল্লেখ কৰা হ'ল-**

| ক্ৰমিক নং | সুবিধাসমূহ | বীমাকৃত ৰাশি (টকা) |
|---|---|---|
| ১ | মৃত্যু | ২,০০,০০০ |
| ২ | দুয়োটা চকু নষ্ট হ'লে নতুবা দুয়োটা ভৰি বা দুয়োখন হাত নতুবা এটা চকু-এটা ভৰি বা এখন হাত নোহোৱা হ'লে | ২,০০,০০০ |
| ৩ | এটা চকু নোহোৱা হৈ বাকী অঙ্গ-প্ৰত্যঙ্গ সুৰক্ষিত হৈ থাকিলে | ১,০০,০০০ |
| ৪ | এখন হাত নোহোৱা হৈ বাকী অঙ্গ-প্ৰত্যঙ্গ অক্ষত অৱস্থাত থাকিলে | ১,০০,০০০ |
| ৫ | এটা ভৰি নোহোৱা হৈ শৰীৰৰ বাকী অঙ্গ-প্ৰত্যঙ্গ সুৰক্ষিত হৈ থাকিলে | ১,০০,০০০ |

**এই সুবিধাসমূহ পাবলৈ অতিক্ৰম কৰিব লগা প্ৰক্ৰিয়াবোৰ ঃ**

- হিতাধিকাৰীজনে তেখেতৰ গাঁৱত থকা '**গ্ৰাহক সেৱা কেন্দ্ৰ**'লৈ যাব লাগে।
- '**গ্ৰাহক সেৱা কেন্দ্ৰ**'ই তেখেতক প্ৰধানমন্ত্ৰীৰ জন সুৰক্ষা বীমা যোজনাৰ অধীনত আৱেদন প্ৰ-পত্ৰখন পূৰোৱাত সহায় কৰি দিব।
- আৱশ্যকীয় নথিসহ আৱেদন পত্ৰখন জমা দিয়াৰ পিছত '**গ্ৰাহক সেৱা কেন্দ্ৰ**'ই আৱেদন জমা প্ৰাপ্তিৰ ৰচিদ এখন গ্ৰাহকজনক প্ৰদান কৰিব।
- আৱেদন পত্ৰখন জমা কৰাৰ এটা মাহৰ ভিতৰত বেঙ্কৰ নথিত লিপিৱদ্ধ হৈ থকা তেখেতৰ ঘৰৰ ঠিকনাত বীমাৰ পলিছীখন গ্ৰাহকজনে ডাকযোগে লাভ কৰিব।

**আৱশ্যকীয় নথি ঃ**

- ঠিকনাৰ প্ৰমাণ (ভোটাৰ পৰিচয় পত্ৰ, পেন কাৰ্ড, বয়সৰ প্ৰমাণ হিচাপে গাঁওবুঢ়াই প্ৰদান কৰা প্ৰমাণ পত্ৰ, বাহন চালনাৰ অনুজ্ঞা পত্ৰ ইত্যাদি)

**এই আঁচনিৰ জৰিয়তে প্ৰাপ্য দাবী নিষ্পত্তিকৰণ প্ৰক্ৰিয়া ঃ**

- বীমাকাৰীজনে দাবী সম্পৰ্কে নিজ গাঁৱত থকা 'গ্ৰাহক সেৱা কেন্দ্ৰ' নতুবা খাটা থকা নিজ বেঙ্কৰ শাখাত বিষয়টো অৱগত কৰিব লাগিব।

- হিতাধিকাৰীজনে বিষয়টো নিজৰ গাঁৱত থকা গ্ৰাহক সেৱা কেন্দ্ৰ নতুবা নিজা খাটা থকা বেঙ্কৰ শাখাক অৱগত কৰিব লাগিব।
- নথি শাখাত উল্লেখ কৰা নথিসহ দাবীদাৰে এখন 'দাবী প্ৰপত্ৰ' পূৰণ কৰি জমা দিব লাগিব।
- দাবীদাৰৰ দাবী পৰীক্ষণৰ পিছত বেঙ্ক কৰ্তৃপক্ষই সেই দাবী পত্ৰ বীমা কৰ্তৃপক্ষলৈ পৰীক্ষণৰ বাবে প্ৰেৰণ কৰিব।
- বীমা পক্ষই দাবীৰ যুক্ততা সম্পৰ্কে হিতাধিকাৰীজনৰ ঘৰলৈ আহি তাৰ সত্যতা নিৰ্ণয় কৰিব।
- দাবীদাৰৰ দাবীৰ সত্যতা নিৰূপণ হোৱাৰ এটা সপ্তাহৰ ভিতৰত প্ৰাপ্য দাবীৰ ধন হিতাধিকাৰীৰ বেঙ্কৰ খাটাত জমা হ'ব।
- বীমাৰ ধন দাবী কৰাৰবাবে দাবীদাৰে নিজৰ খাটা থকা বেঙ্কৰ শাখালৈ যাব লাগিব।
- দাবী কৰিব লগা হিতাধিকাৰীজনে মৃত্যু বা দুৰ্ঘটনা সংঘটিত হোৱাৰ তিনি মাহৰ ভিতৰত বেঙ্ক নতুবা গ্ৰাহক সেৱা কেন্দ্ৰক বিষয়টোৰ সবিশেষ অৱগত কৰিব লাগিব।

**আৱশ্যকীয় নথি ঃ**

- বেঙ্কৰ খাটা বহীৰ ফটোকপি (বহীত আগৰ বছৰ বীমাৰ কিস্তি সংগ্ৰহ হোৱাৰ তথ্য উল্লেখ থাকিব লাগিব)
- মৃত্যুৰ প্ৰমাণ পত্ৰ (যদি মৃত্যুৰ দাবী হ'লে)
- হাস্পাতালৰ পৰা খালাচ দিয়াৰ প্ৰমাণ পত্ৰ (দুৰ্ঘটনা হ'লে)
- মৃতকৰ ঠিকনাৰ প্ৰমাণপত্ৰ (ভোটাৰ পৰিচয় পত্ৰ, ৱাহন চালনাৰ অনুজ্ঞা পত্ৰ, বিজুলীৰ বিল, স্থায়ী ঠিকনাৰ প্ৰমাণ পত্ৰ ইত্যাদি)
- মৃতকৰ পৰিচয়ৰ প্ৰমাণপত্ৰ (পেন কাৰ্ড, ভোটাৰ পৰিচয় পত্ৰ, বাহন চালনাৰ অনুজ্ঞাপত্ৰ ইত্যাদি)
- মনোনীতগৰাকীৰ ঠিকনাৰ প্ৰমাণ পত্ৰ (মৃত্যু হ'লে) (ভোটাৰ পৰিচয় পত্ৰ, বাহন চালনাৰ অনুজ্ঞা পত্ৰ, বিজুলীৰ বিল, স্থায়ী ঠিকনাৰ প্ৰমাণ পত্ৰ ইত্যাদি)
- মনোনীতগৰাকীৰ পৰিচয়ৰ প্ৰমাণ পত্ৰ (মৃত্যু হ'লে) (পেন কাৰ্ড, ভোটাৰ পৰিচয় পত্ৰ, বাহন চালনাৰ অনুজ্ঞা পত্ৰ ইত্যাদি)
- পুলিছৰ পৰা সংগ্ৰহ কৰা 'প্ৰথম তথ্য দাখিলৰ খতিয়ান' (এফ আই আৰ) জমা দিয়াটো বাধ্যতামুলক।
- বীমাৰ ধনৰাশি পাবলৈ নাকচ কৰা এখন চেক হিতাধিকাৰী নতুবা মনোনীত ব্যক্তিজনে (মৃত্যুজনিত ঘটনা হ'লে) লগত গাঁথি দিব লাগিব।

**সবিশেষ জানিবলৈ ৰাষ্ট্ৰীয় সহায়তা কেন্দ্ৰৰ স'তে যোগাযোগ কৰিব পাৰে।**

যোগাযোগৰ ফোন নম্বৰ ঃ ১৮০০১১০০০১ নতুবা ১৮০০১৮০১১১১

**আঁচনিৰ নাম ঃ প্ৰধানমন্ত্ৰীৰ জীৱন জ্যোতি বীমা যোজনা**

**আঁচনিৰ প্ৰকাৰ** ঃ কেন্দ্ৰীয় পৃষ্ঠপোষক আঁচনি

**উদ্দেশ্য** ঃ এই আঁচনিৰ উদ্দেশ্য হ'ল অতি নগণ্যপৰিমাণৰ বীমা কিস্তিৰ বিপৰীতে আকস্মিকভাৱে হোৱা মৃত্যুত হিতাধিকাৰীক বীমা সুৰক্ষা প্ৰদান কৰা।

**এই আঁচনিৰ হিতাধিকাৰী কোন ?**

বয়স ১৮ বছৰৰ পৰা ৫০ বছৰৰ ভিতৰৰ প্ৰতিজনেই এই আঁচনিত অন্তৰ্ভুক্ত হ'ব পাৰে।

**এই বীমা পলিছীৰ মূল্য কিমান?**

এই বীমা পলিছীৰ মূল্য প্ৰতিবছৰত মাথো ৩৩০ টকা। প্ৰতি বছৰৰ মে মাহত হিতাধিকাৰীৰ বেঙ্কৰ হিচাপৰ বহীৰ পৰা বেঙ্কে নিজে নিজে এই বীমাৰ কিস্তি কাটি নিব।

**এই আঁচনিৰ অধীনত লাভ কৰা সুবিধাবোৰ কি কি?**

**এই আঁচনিৰ অধীনত হিতাধিকাৰীৰ মৃত্যু হ'লে লাভ কৰা বীমা ধনৰ পৰিমাণ হ'ল- ২,০০,০০০ টকা।**

**এই সুবিধাসমূহ পাবলৈ অতিক্ৰম কৰিব লগা প্ৰক্ৰিয়াবোৰঃ**

- হিতাধিকাৰীজনে তেখেতৰ গাঁৱত থকা '**গ্ৰাহক সেৱা কেন্দ্ৰ**'লৈ যাব লাগে।
- '**গ্ৰাহক সেৱা কেন্দ্ৰ**'ই তেখেতক প্ৰধানমন্ত্ৰীৰ জীৱন জ্যোতি বীমা যোজনাৰ অধীনত আৱেদন প্ৰ-পত্ৰখন পূৰোৱাত সহায় কৰি দিব।
- আৱশ্যকীয় নথিসহ আৱেদন পত্ৰখন জমা দিয়াৰ পিছত '**গ্ৰাহক সেৱা কেন্দ্ৰ**'ই আৱেদন জমা প্ৰাপ্তিৰ ৰচিদ এখন গ্ৰাহকজনক প্ৰদান কৰিব।
- আৱেদন পত্ৰখন জমা কৰাৰ এটা মাহৰ ভিতৰত বেঙ্কৰ নথিত লিপিৱদ্ধ হৈ থকা তেখেতৰ ঘৰৰ ঠিকনাত বীমাৰ পলিছীখন গ্ৰাহকজনে ডাকযোগে লাভ কৰিব।

**আৱশ্যকীয় নথিঃ**

- হিতাধিকাৰীজনে লগত বয়সৰ প্ৰমাণ পত্ৰ আনিব লাগিব (ভোটাৰ পৰিচয় পত্ৰ, পেন কাৰ্ড, বয়সৰ প্ৰমাণ হিচাপে গাঁও বুঢ়াই প্ৰদান কৰা প্ৰমাণ পত্ৰ, বাহন চালনাৰ অনুজ্ঞা পত্ৰ ইত্যাদি)

**এই আঁচনিৰ জৰিয়তে প্ৰাপ্য দাবী নিষ্পত্তিকৰণ প্ৰক্ৰিয়াঃ**

- বীমাকাৰীজনে দাবী সম্পৰ্কে নিজ গাঁৱত থকা 'গ্ৰাহক সেৱা কেন্দ্ৰ' নতুবা খাটা থকা নিজ বেঙ্কৰ শাখাত বিষয়টো অৱগত কৰিব লাগিব।
- হিতাধিকাৰীজনে বিষয়টো নিজৰ গাঁৱত থকা গ্ৰাহক সেৱা কেন্দ্ৰ নতুবা নিজা খাটা থকা বেঙ্কৰ শাখাক অৱগত কৰিব লাগিব।
- নথি শাখাত উল্লেখ কৰা নথিসহ দাবীদাৰে এখন 'দাবী প্ৰপত্ৰ' পূৰণ কৰি জমা দিব লাগিব।
- দাবীদাৰৰ দাবী পৰীক্ষণৰ পিছত বেঙ্ক কৰ্তৃপক্ষই সেই দাবী পত্ৰ বীমা কৰ্তৃপক্ষলৈ পৰীক্ষণৰ বাবে প্ৰেৰণ কৰিব।
- বীমা পক্ষই দাবীৰ যুক্ততা সম্পৰ্কে হিতাধিকাৰীজনৰ ঘৰলৈ আহি তাৰ সত্যতা নিৰ্ণয় কৰিব।
- দাবীদাৰৰ দাবীৰ সত্যতা নিৰূপণ হোৱাৰ এটা সপ্তাহৰ ভিতৰত প্ৰাপ্য দাবীৰ ধন হিতাধিকাৰীৰ বেঙ্কৰ খাটাত জমা হ'ব।
- বীমাৰ ধন দাবী কৰাৰবাবে দাবীদাৰে নিজৰ খাটা থকা বেঙ্কৰ শাখালৈ যাব লাগিব।
- দাবী কৰিব লগা হিতাধিকাৰীজনে মৃত্যু বা দুৰ্ঘটনা সংঘটিত হোৱাৰ তিনি মাহৰ ভিতৰত বেঙ্ক নতুবা গ্ৰাহক সেৱা কেন্দ্ৰক বিষয়টোৰ সবিশেষ অৱগত কৰিব লাগিব।

**আৱশ্যকীয় নথিঃ**

- বেঙ্কৰ খাটা বহীৰ ফটোকপি (বহীত আগৰ বছৰ বীমাৰ কিস্তি সংগ্ৰহ হোৱাৰ তথ্য উল্লেখ থাকিব লাগিব)
- মৃত্যুৰ প্ৰমাণ পত্ৰ

- মৃতকৰ ঠিকনাৰ প্ৰমাণপত্ৰ (ভোটাৰ পৰিচয় পত্ৰ, ৰাহন চালনাৰ অনুজ্ঞা পত্ৰ, বিজুলীৰ বিল, স্থায়ী ঠিকনাৰ প্ৰমাণ পত্ৰ ইত্যাদি)
- মৃতকৰ পৰিচয়ৰ প্ৰমাণপত্ৰ (পেন কাৰ্ড, ভোটাৰ পৰিচয় পত্ৰ, বাহন চালনাৰ অনুজ্ঞাপত্ৰ ইত্যাদি)
- মনোনীতগৰাকীৰ ঠিকনাৰ প্ৰমাণ পত্ৰ (ভোটাৰ পৰিচয় পত্ৰ, বাহন চালনাৰ অনুজ্ঞা পত্ৰ, বিজুলীৰ বিল, স্থায়ী ঠিকনাৰ প্ৰমাণ পত্ৰ ইত্যাদি)
- মনোনীতগৰাকীৰ পৰিচয়ৰ প্ৰমাণ পত্ৰ (পেন কাৰ্ড, ভোটাৰ পৰিচয় পত্ৰ, বাহন চালনাৰ অনুজ্ঞা পত্ৰ ইত্যাদি)
- বীমাৰ ধনৰাশি পাবলৈ নাকচ কৰা এখন চেক হিতাধিকাৰী নতুবা মনোনীত ব্যক্তিজনে (মৃত্যুজনিত ঘটনা হ'লে) লগত গাঁথি দিব লাগিব।

**সবিশেষ জানিবলৈ ৰাষ্ট্ৰীয় সহায়তা কেন্দ্ৰৰ স'তে যোগাযোগ কৰিব পাৰে।**
যোগাযোগৰ ফোন নম্বৰ ঃ ১৮০০১১০০০১ নতুবা ১৮০০১৮০১১১১

***মনত ৰাখিব ঃ*** দুয়োখন আঁচনিৰ বাবে বীমা কৰি থোৱা বীমাকাৰীয়ে দুয়োখন আঁচনিৰে ধন পোৱাৰ বাবে বিবেচিত হ'ব। দুয়োখন আঁচনিৰ বিপৰীতে বীমাকৃত ধন দাবী কৰিবলৈ সকলো নথিসহ মাথো দুখন সুকীয়া আবেদন পত্ৰ পূৰণ কৰি দাখিল কৰিব লাগিব।

**আঁচনিৰ নাম ঃ অটল পেঞ্চন যোজনা**
**আঁচনিৰ প্ৰকাৰ** ঃ কেন্দ্ৰীয় পৃষ্ঠপোষক আঁচনি

**উদ্দেশ্য ঃ**
এই আঁচনিৰ উদ্দেশ্য হ'ল হিতাধিকাৰীজনে তেখেতৰ বয়স আৰু তেখেতে জমা কৰা অৰিহণা অনুপাতে তেখেতক নিশ্চিতভাৱে ১০০০ টকাৰ পৰা ৫০০০ টকাৰ পেঞ্চন প্ৰদান কৰা।

**এই আঁচনিৰ হিতাধিকাৰী কোন ?**
বয়স ১৮ বছৰৰ পৰা ৪০ বছৰৰ ভিতৰৰ প্ৰতিজনেই এই আঁচনিত অন্তৰ্ভুক্ত হ'ব পাৰে।

**এই সুবিধাসমূহ পাবলৈ অতিক্ৰম কৰিব লগা প্ৰক্ৰিয়াবোৰ ঃ**
- হিতাধিকাৰীজনে তেখেতৰ গাঁৱত থকা বেঙ্কৰ শাখা নতুবা '**গ্ৰাহক সেৱা কেন্দ্ৰ**'লৈ যাব লাগে।
- '**গ্ৰাহক সেৱা কেন্দ্ৰ**' নতুবা বেঙ্কে তেখেতক অটল পেঞ্চন যোজনাৰ আবেদন প্ৰ-পত্ৰখন পূৰোৱাত সহায় কৰি দিব।
- আৱশ্যকীয় নথিসহ আবেদন পত্ৰখন জমা দিয়াৰ পিছত বেঙ্ক নতুবা '**গ্ৰাহক সেৱা কেন্দ্ৰ**'ই আবেদন জমা প্ৰাপ্তিৰ ৰচিদ এখন গ্ৰাহকজনক প্ৰদান কৰিব।
- আবেদন পত্ৰখন জমা কৰাৰ পিছত বেঙ্কৰ নথিত লিপিবদ্ধ হৈ থকা তেখেত ঠিকনাত পেঞ্চন কাৰ্ডখন গ্ৰাহকজনে ডাকযোগে লাভ কৰিব।
- গ্ৰাহকজনে তেখেতৰ মোবাইল ফোন নম্বৰত তেখেতৰ অৰিহণাৰ বিষয়ে জানিব পাৰিব আৰু সেই ঠিকনাত তেখেতৰ বাৰ্ষিক জমাৰ খতিয়ানো প্ৰেৰণ কৰা হ'ব।
- পেঞ্চন হিচাপৰ সতে সংলগ্ন কৰা বেঙ্কৰ জমা খাটাৰ পৰা তেখেতৰ অৰিহণা বেঙ্কে নিজেই কটি নিব।

**আৰশ্যকীয় নথিপত্ৰ ঃ**

- হিতাধিকাৰীজনে বয়সৰ প্ৰমাণপত্ৰ লগত নিব লাগিব (পেন কাৰ্ড, ভোটাৰ পৰিচয় পত্ৰ, গাঁও বুঢ়াই প্ৰদান কৰা বয়সৰ প্ৰমাণ পত্ৰ, বাহন চালনাৰ অনুজ্ঞা পত্ৰ ইত্যাদি)

**কিবা অভিযোগ থাকিলে** গ্ৰাহকজনে পেঞ্চন খাটা খোলা বেঙ্ক নতুবা গ্ৰাহক সেৱা কেন্দ্ৰ স'তে যোগাযোগ কৰিব পাৰে। বেঙ্ক নতুবা গ্ৰাহক সেৱা কেন্দ্ৰই তেখেতক ৭ দিনৰ ভিতৰত সেই অভিযোগৰ উত্তৰ প্ৰদান কৰিব। সেই সমাধানত তেখেত সন্তুষ্ট নহ'লে পুনৰ যোগাযোগ কৰিব।

**সবিশেষ জানিবলৈ ৰাষ্ট্ৰীয় সহায়তা কেন্দ্ৰৰ স'তে যোগাযোগ কৰিব পাৰে।**
যোগাযোগৰ ফোন নম্বৰ ঃ ১৮০০১১০০০১ নতুবা ১৮০০১৮০১১১১

**আঁচনিৰ নাম ঃ সুকন্যা সমৃদ্ধি যোজনা**
**আঁচনিৰ প্ৰকাৰ** ঃ কেন্দ্ৰীয় পৃষ্ঠপোষক আঁচনি

**উদ্দেশ্য** ঃ এই আঁচনিৰ উদ্দেশ্য হ'ল ভাৰতৰ প্ৰতিগৰাকী কন্যাৰ এটি উজ্বল ভৱিষ্যত নিশ্চিত কৰা।

**এই আঁচনিৰ হিতাধিকাৰী কোন ?**
১০ বছৰ বয়সৰ তলৰ প্ৰতিগৰাকী কন্যা সন্তানেই এই আঁচনিৰ প্ৰকৃত হিতাধিকাৰী হ'ব পাৰে।

**এই আঁচনিৰ হিতাধিকাৰী হ'বলৈ প্ৰতি বছৰৰ অৰিহণা কিমান?**

এই আঁচনিত অন্তৰ্ভুক্ত হ'বলৈ প্ৰতি বছৰে সৰ্বনিম্ন ১০০০ টকা আৰু সৰ্বাধিক ১,৫০,০০০ টকা জমা থব পাৰিব। হিতাধিকাৰীজন কন্যা গৰাকীৰ অভিভাৱক হ'ব লাগিব। সেই অৰিহণা মাহেকীয়া, তিনি মহীয়া বা বছেৰেকীয়া হিচাপেও জমা দিব পাৰি।

**এই আঁচনিৰ সুবিধাবোৰ কি কি ?**

- এই আঁচনিৰ সুতৰ হাৰ হ'ল ৮.৫ শতাংশ; আনবোৰ আঁচনিৰ তুলনাত সৰ্বাধিক।
- আঁচনিৰ সমাপ্তিত পোৱা সমুদায় ধন কৰ মুক্ত।
- একৈশ বছৰৰ পিছত জমা হোৱা সমুদায় ধন কন্যাৰ শিক্ষা-বিয়া আদি কামত খটাব পাৰিব।
- কন্যাৰ বয়স ১৮ বছৰ হোৱাৰ পিছত জমা হোৱা ধনৰ পঞ্চাশ শতাংশ উলিয়াব পাৰিব।
- কন্যাৰ বয়স ১৮ বছৰ হোৱাৰ আগতে এই ধন উলিয়াবলৈ দিয়া নহয়; কন্যাৰ অষ্টাদশ জন্ম দিনত জমা হোৱা ধনৰ পঞ্চাশ শতাংশ উলিয়াব পাৰিব আৰু বাকী থকা টকা একবিংশ জন্ম দিনত বা তাৰ পিছত উলিয়াব পাৰিব।

**এই সুবিধাসমূহ পাবলৈ অতিক্ৰম কৰিব লগা প্ৰক্ৰিয়াবোৰ ঃ**
- হিতাধিকাৰীজনে খাটা খুলিবলৈ তেখেতৰ গাঁৱত থকা ডাকঘৰলৈ যাব লাগে।
- হিতাধিকাৰীজনে কন্যা আৰু নিজৰ সবিশেষ উল্লেখ কৰি আৱেদন প্ৰপত্ৰখন পুৰাই সহকাৰী পোষ্ট মাষ্টৰক আৱশ্যকীয় নথিসহ আৱেদন পত্ৰখন জমা দিব লাগিব।
- জমা দিয়া আৱেদনখন নিৰীক্ষণ কৰি পোষ্ট মাষ্টৰ গৰাকীয়ে আৱেদন জমা প্ৰাপ্তিৰ ৰচিদ প্ৰদান কৰিব।

- যাৱতীয় নথিসহ  আবেদন পত্ৰখন জমা দিয়া তিনি কৰ্মদিনৰ পিছত পাছবুকখন হিতাধিকাৰীজনে সংগ্ৰহ কৰিব পাৰিব।

**আৱশ্যকীয় নথি ঃ**

- বয়সৰ প্ৰমাণ পত্ৰ হিচাপে কইনাগৰাকীৰ জন্মৰ প্ৰমাণ পত্ৰ দিব লাগিব।
- অভিভাৱক আৰু সন্তান দুয়োৰে দুখনকৈ পাছপোৰ্ট জোখৰ ফটো লাগিব।
- অভিভাৱকৰ ঠিকনাৰ প্ৰমাণ হিচাপে- বাহন চালনাৰ অনুজ্ঞা পত্ৰ, ভোটাৰ পৰিচয় পত্ৰ, বিজুলীৰ বিল, স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ দিব পাৰিব।
- অভিভাৱকৰ চিনাক্তকৰণৰ প্ৰমাণ হিচাপে- পেন কাৰ্ড, বাহন চালনাৰ অনুজ্ঞা পত্ৰ, ভোটাৰ পৰিচয় পত্ৰ দিব পাৰিব।

**আঁচনিৰ নাম ঃ দীন দয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা**
**আঁচনিৰ প্ৰকাৰ** ঃ কেন্দ্ৰীয় পৃষ্ঠপোষক আঁচনি
**(দায়িত্ববাহী সংগঠন- অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান)**

**উদ্দেশ্য** ঃ এই আঁচনিৰ উদ্দেশ্য হ'ল ভাৰতৰ প্ৰতিগৰাকী গ্ৰামীণ দৰিদ্ৰ যুৱক-যুৱতীক জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত সফল হ'ব পৰাকৈ বিভিন্ন ক্ষেত্ৰত কৌশল প্ৰদানৰ জৰিয়তে নিপুন কৰি তুলি নিয়মীয়াকৈ বেতন বা নিৰ্দ্ধাৰিত হাৰতকৈ অধিক মজুৰি লাভ কৰিবলৈ সক্ষম  হোৱাকৈ যোগ্য কৰি তোলা।

**এই আঁচনিৰ হিতাধিকাৰী কোন ?**

-১৫-৩৫ বছৰ বয়সৰ প্ৰতিগৰাকী যুৱক-যুৱতীয়েই এই আঁচনিৰ হিতাধিকাৰী হ'ব পাৰে।
- মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিশ্চিত নিয়োগ আইনৰ অধীনত বছৰত অতিকমেও ১৫ দিন কৰ্ম সম্পাদন কৰা শ্ৰমিক।
- ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা আঁচনিৰ কাৰ্ড থকা পৰিয়াল।
- দৰিদ্ৰ সীমা ৰেখাৰ তলৰ নতুবা ৰাজহুৱা খাদ্য বিতৰণ ব্যৱস্থাৰ কাৰ্ড অধিকাৰী পৰিয়াল।
- ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান-আত্ম-সহায়ক গোটৰ পৰিয়াল।
- ২০১১ চনৰ আৰ্থ-সামাজিক জাতি-বৰ্ণ পিয়লত অন্তৰ্ভুক্ত পৰিয়াল।

**এই আঁচনিৰ সুবিধাবোৰ কি কি ?**

- এই আঁচনিৰ জৰিয়তে বিনামূলীয়াকৈ কৌশল উন্নয়নৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়।
- থাকি ল'ব লগা প্ৰশিক্ষণ পাঠ্যক্ৰম হ'লে থকা-খোৱা বিনামূলীয়া।
- বিনামূলীয়া ইউনিফৰ্ম।
- ঘৰৰ পৰা প্ৰশিক্ষণ কেন্দ্ৰলৈ প্ৰথম বাৰ অহাৰ খৰচ বহন।
- পৰৱৰ্তী সময়ত নিয়োগ-সহযোগ হিচাপে প্ৰতিমাহে ১০০০ টকাকৈ দিয়া হয়। (এই টকা প্ৰতি তিনিমাহে তিনিমাহে প্ৰদান কৰা হয়)
- প্ৰশিক্ষণ সমাপ্ত হোৱাৰ পিছত নিশ্চিত নিয়োগৰ ব্যৱস্থা।

**এই সুবিধাসমূহ পাবলৈ অতিক্ৰম কৰিব লগা প্ৰক্ৰিয়াবোৰ ঃ (দল একত্ৰিতকৰণ)**

**পৰ্যায়- ১** ঃ প্ৰকল্প ৰূপায়ণকাৰী সংস্থাই বিশেষ একোটা বিষয়ত একোখন পঞ্চায়তৰ অধীনৰ যুৱক-

যুৱতীসকলক একত্ৰিতভাবে সক্ষম কৰি তোলা বাবে ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ পৰা অনুমোদন লব লাগিব।

**২ য় পৰ্য্যায় ঃ আঁচনি ৰূপায়ণকাৰী সংস্থা**টোৱে নিৰ্দিষ্ট গাঁও পঞ্চায়তৰ যুৱক-যুৱতীসকলক একত্ৰিত কৰাৰ কাৰণে সংশ্লিষ্ট উন্নয়ন খণ্ড পৰ্য্যায়ত থকা- **খণ্ড অভিযান ব্যৱস্থাপনা গোটলৈ** পত্ৰ পঠাব লাগিব।

**৩ য় পৰ্য্যায় ঃ উন্নয়ন খণ্ডৰ সমন্বয়ক (কৌশল)** আৰু **আঁচনি ৰূপায়ণকাৰী সংস্থা**টোৱে সমুহীয়া সমল ব্যক্তি, আত্ম-সহায়ক গোটৰ সদস্য, গাঁও সংগঠনৰ সদস্য, পঞ্চায়ত প্ৰতিনিধিসকলক অৱগত তথা নিমন্ত্ৰণ কৰি প্ৰচাৰ পত্ৰিকা বিতৰণ, বেনাৰ আদি লগোৱাৰ লগতে প্ৰশিক্ষণৰ সবিশেষ জনাই আৱশ্যকীয় তথ্যসহ ব্যাপকভাবে প্ৰচাৰ কৰিব লাগিব।

**৪ৰ্থ পৰ্য্যায় ঃ উন্নয়ন খণ্ডৰ সমন্বয়ক (কৌশল)** আৰু **আঁচনি ৰূপায়নকাৰী সংস্থা**টোৱে আত্ম-সহায়ক গোট আৰু গাঁও সংগঠনৰ সদস্যসকলৰ সহায়ত আত্ম-সহায়ক গোট আৰু গাঁও সংগঠনৰ যুৱক-যুৱতী সদস্যসকলক এই বিষয়ে বুজনি তথা পৰামৰ্শ আগবঢ়াব।

**৫ম পৰ্য্যায় ঃ আঁচনি ৰূপায়ণকাৰী সংস্থা**টোৱে গাঁও পঞ্চায়ত-উন্নয়ন খণ্ড পৰ্য্যায়ৰ প্ৰাৰ্থীসকলক সমবেত কৰি সেই বিশেষ বিষয় আৰু অন্যান্য বিষয়বোৰ অৱগত কৰাৰ কাৰণে এক অধিবেশনৰ আয়োজন কৰিব। সেই অধিবেশনৰ দিনাই অধিবেশন থলীতে অংশগ্ৰহণকাৰীসকলৰ নাম পঞ্জীয়ন কৰিব লাগিব।

**৬ষ্ঠ পৰ্য্যায় ঃ আগ্ৰহী প্ৰাৰ্থীসকল**ক গাঁও পঞ্চায়ত-উন্নয়ন খণ্ড পৰ্যায়ত অনুষ্ঠিত হ'ব লগা সামৰ্থ পৰীক্ষণ আৰু সাক্ষাতকাৰত অৱতীৰ্ণ হ'বলৈ নিমন্ত্ৰণ জনোৱা হ'ব।

**৭ম পৰ্য্যায়** ঃ অনুষ্ঠিত হোৱা সামৰ্থ পৰীক্ষা আৰু সাক্ষাতকাৰত অৱতীৰ্ণ হোৱাসকলৰ ফলাফল ঘোষণা কৰাৰ পিছত উন্নয়ন খণ্ড আৰু গাঁও পঞ্চায়ত পৰ্যায়ৰ উত্তীৰ্ণসকলৰ অভিভাৱকসকলক নিমন্ত্ৰণ কৰি সেই উদ্দেশ্য আৰু বিষয়বোৰৰ সবিশেষ বুজাই **'পিতৃ-মাতৃৰ অনুমোদন পত্ৰ'** পূৰণ কৰাই তাত তেখেতসকলৰ স্বাক্ষৰ ল'ব লাগে।

**৮মপৰ্য্যায়** ঃ ওপৰৰ সমুদায় প্ৰক্ৰিয়া শেষ হোৱাৰ পিছত প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ আৰম্ভ হ'ব লগা তাৰিখসহ সবিশেষ অৱগত কৰিব লাগিব।

**এই সুবিধাসমূহ পাবলৈ অতিক্ৰম কৰিব লগা প্ৰক্ৰিয়াবোৰ ঃ (ব্যক্তিগতভাবে একত্ৰিতকৰণ)**

**পৰ্যায়- ১** ঃ এগৰাকী যুৱক বা যুৱতীয়ে ব্যক্তিগতভাবে উন্নয়ন খণ্ডৰ- খণ্ড অভিযান ব্যৱস্থাপনা গোটক লগ ধৰি শাখাটোৰ বিষয়ে সবিশেষ জানি ল'ব পাৰে।

**পৰ্যায়- ২** ঃ উন্নয়ন খণ্ড পৰ্য্যায়ত 'অনুমতি পত্ৰ' সহ সকলোবোৰ তথ্য খাতা-বহীত লিপিবদ্ধ কৰি থোৱা হয়।

**পৰ্যায়- ৩** ঃ প্ৰশিক্ষণ আৰম্ভ হোৱাৰ আগতে খণ্ড সমন্বয়কে (কৌশল) প্ৰাৰ্থী গৰাকীক সবিশেষ অৱগত কৰিব।

**এই সুবিধা পাবলৈ হ'লে আৱশ্যক হোৱা নথিপত্ৰসমূহ ঃ**

- বি পি এল কাৰ্ড।
- শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ।
- মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিশ্চিত নিয়োগ আইনৰ অধীনত ১৫ দিন কাম কৰাৰ জব কাৰ্ড।
- আত্ম-সহায়ক গোটৰ সদস্য হ'লে গোটৰ সভাপতিৰ পৰা এখন লিখিত পত্ৰ।
- ঠিকনাৰ প্ৰমাণ (বাহন চালনাৰ অনুজ্ঞা পত্ৰ, বিজুলীৰ বিল, ভোটাৰ পৰিচয় পত্ৰ)
- ৬ খন পাছপোৰ্ট জোখৰ ফটো।
- জাতিৰ প্ৰমাণ পত্ৰ।